NRC
NATIONAL REGISTER OF CITIZENS

# দাবী আৰু আপত্তি বিষয়ক গুৰুত্বপূৰ্ণ ঘোষণা

## আমাৰ এন আৰ চি
## ন্যায়সংগত এন আৰ চি

১. দাবী আৰু আপত্তি **২৫ ছেপ্টেম্বৰ, ২০১৮** তাৰিখৰ পৰা গ্ৰহণ কৰা হ'ব।

২. দাবী আৰু আপত্তি গ্ৰহণ প্ৰক্ৰিয়া **২৫ ছেপ্টেম্বৰ, ২০১৮** ৰ পৰা **২৩ নৱেম্বৰ, ২০১৮** লৈ ২৫-০৯-১৮ তাৰিখ ধৰি প্ৰায় ৬০ (ষাঠি) দিনৰ বাবে অব্যাহত থাকিব।

৩. যিসকল আৱেদনকাৰীয়ে **৩১ আগষ্ট, ২০১৫** তাৰিখ পৰ্য্যন্ত এন আৰ চি আৱেদনপত্ৰ দাখিল কৰিছিল আৰু আৱেদন প্ৰাপ্তি নং (এ আৰ এন) পাইছিল সেইসকল আৱেদনকাৰীয়েহে দাবী দাখিল কৰিব পাৰিব। নিৰ্দিষ্ট সময়ৰ ভিতৰত আৱেদন দাখিল নকৰাসকলে দাবী দাখিল কৰিব নোৱাৰিব।

৪. আপত্তি যিকোনো ব্যক্তিয়েই দাখিল কৰিব পাৰিব।

৫. আৱেদনকাৰীয়ে পূৰ্বতে আৱেদন দাখিল কৰা এন আৰ চি সেৱা কেন্দ্ৰতহে দাবী দাখিল কৰিব লাগিব। আৱেদন প্ৰপত্ৰ দাখিল কৰাৰ পিছত আৱেদনকাৰীয়ে বাসস্থান সলনি কৰিলেও মূল আৱেদন দাখিল কৰা এন এছ কে'ত হে দাবী দাখিল কৰিব লাগিব।

৬. যাৰ বিৰুদ্ধে আপত্তি দাখিল কৰা হ'ব সেই ব্যক্তিৰ বাসস্থানৰ এলেকাভূক্ত সংশ্লিষ্ট এন এছ কে'ত আপত্তি দাখিল কৰিব লাগিব।

৭. দাবীদাৰে ২০১৫ চনত দাখিল কৰা মূল এন আৰ চি আৱেদনপত্ৰৰ **প্ৰশ্ন 9a** বা **প্ৰশ্ন 10a** বা **প্ৰশ্ন 11a** বা **প্ৰশ্ন 12** ৰ বিপৰীতে দাখিল কৰা লিগেচী ব্যক্তিৰ নাম দাবী প্ৰপত্ৰত সলনি কৰিব নোৱাৰিব।

৮. ইতিমধ্যে দাখিল কৰা নথিৰ ভিত্তিত যোগ্যতা পুনৰ বিবেচনাৰ বাবে নাইবা **তালিকা A** বা **তালিকা B** ভূক্ত অতিৰিক্ত নথিৰ ভিত্তিত দাবী দাখিল কৰিব পাৰিব। **তালিকা A**ৰ পৰা যদি কোনো অতিৰিক্ত নথি দাখিল কৰা হয় তেনেহ'লে সেই নথি নিম্নলিখিত **দহ (১০) বিধ নথি**ৰ যিকোনো এবিধ বা ততোধিক হ'ব লাগিবঃ

I. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা মাটিৰ নথি-পত্ৰ যেনে মাটি কিনা-বেচাৰ পঞ্জীয়নভূক্ত দলিল, ভূমিস্বত্বৰ নথি।

II. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত অসমৰ বাহিৰৰ ৰাজ্যই প্ৰদান কৰা স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ।

III. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত ভাৰত চৰকাৰৰ দ্বাৰা প্ৰদান কৰা পাছপোৰ্ট।

IV. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ভাৰতীয় জীৱন বীমা নিগম (এল আই চি আই)ৰ বীমা পলিচি।

V. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত যিকোনো চৰকাৰী কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা কোনো অনুজ্ঞা পত্ৰ / প্ৰমাণপত্ৰ।

VI. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা চৰকাৰী / ৰাজহুৱা খণ্ডত চাকৰি / নিয়োগৰ প্ৰমাণপত্ৰ।

VII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা বেংক / ডাকঘৰৰ একাউন্টচৰ নথি।

VIII. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত কৰ্তৃত্বপ্ৰাপ্ত কৰ্তৃপক্ষৰ দ্বাৰা প্ৰদান কৰা জন্মৰ প্ৰমাণপত্ৰ।

IX. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত বোৰ্ড / বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰদান কৰা শিক্ষাৰ প্ৰমাণপত্ৰ।

X. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰদান কৰা ন্যায়িক বা ৰাজহ আদালতৰ নথি / আদালতৰ প্ৰচিডিংজনিত নথি।

**সেয়েহে, দাবী প্ৰপত্ৰত উল্লেখ কৰাৰ সুবিধাৰ্থে তালিকা A ভূক্ত ১৫ বিধৰ আটাইকেইবিধ নথিৰ উল্লেখ আছে যদিও, ওপৰত উল্লেখিত কেৱল ১০ বিধ নথিহে বৰ্তমান গ্ৰহণযোগ্য হ'ব।**

৯. বৰ্তমান **তালিকা A** ভূক্ত নিম্নলিখিত ৫ বিধ নথি অতিৰিক্ত নথি হিচাবে গ্ৰহণযোগ্য নহয় কিয়নো এই বিষয়টো মহামান্য উচ্চতম ন্যায়ালয়ৰ বিবেচনাধীন হৈ আছেঃ

I. এন আৰ চি, ১৯৫১;

II. **২৪ মাৰ্চ, ১৯৭১ (মাজনিশা)** পৰ্য্যন্ত প্ৰকাশিত ভোটাৰ তালিকা;

III. নাগৰিকত্ব প্ৰমাণপত্ৰ;

IV. শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ;

V. ৰেছন কাৰ্ড

এই বিষয়ত পৰৱৰ্ত্তী শুনানী **২৩ অক্টোবৰ, ২০১৮** তাৰিখত ধাৰ্য্য কৰা হৈছে।

১০. ডি-ভোটাৰ (DV) বা ঘোষিত বিদেশী (DF) বা বিদেশী ন্যায়াধিকৰণত গোচৰ বিচাৰাধীন হৈ থকা (PFT) ব্যক্তি আৰু / বা তেওঁলোকৰ সতি-সন্ততি আৰু ন্যায়িক কৰ্তৃপক্ষ / বিদেশী ন্যায়াধিকৰণে ভাৰতীয় নাগৰিক হিচাবে ঘোষণা কৰা স্বত্তেও খচৰা এন আৰ চিত নাম অন্তৰ্ভুক্ত নোহোৱা ব্যক্তিয়ে চিনাক্তকৰণ শুধৰণিমৰ্মে অন্তৰ্ভুক্তিৰ বাবে জনোৱা দাবীও গ্ৰাহ্য কৰা হ'ব। এইক্ষেত্ৰত পৃথক প্ৰপত্ৰ ব্যৱহাৰ কৰা হ'ব।

১১. দাবীদাৰসকলে নতুনকৈ পৰিয়ালৰ বংশবৃক্ষ দাখিল কৰিব নালাগে।

১২. দাবী আৰু আপত্তি দাখিল কৰা ব্যক্তিসকলক এন আৰ চি কৰ্তৃপক্ষৰ দ্বাৰা প্ৰাপ্তিৰ ৰচিদ আৰু দাখিল কৰা নথিসমূহৰ সংক্ষিপ্ত বিৱৰণো দিয়া হ'ব।

১৩. নিম্নলিখিত খালী প্ৰপত্ৰসমূহ এন এছ কে'সমূহত পোৱা যাব বা এন আৰ চিৰ ৱেবচাইট **nrcassam.nic.in** ৰ পৰা ডাউনলোডো কৰিব পাৰিব

I. দাবী প্ৰপত্ৰ

II. ডি-ভোটাৰ (DV) বা ঘোষিত বিদেশী (DF) বা বিদেশী ন্যায়াধিকৰণত গোচৰ বিচাৰাধীন হৈ থকা (PFT) ব্যক্তি আৰু / বা তেওঁলোকৰ সতি-সন্ততিৰ চিনাক্তকৰণ শুধৰণিমৰ্মে অন্তৰ্ভুক্তিৰ বাবে জনোৱা দাবী প্ৰপত্ৰ

III. আপত্তি প্ৰপত্ৰ

***খালী প্ৰপত্ৰৰ ফটোকপিও ব্যৱহাৰ কৰিব পাৰিব***

Exclusive/NRC/09-18

জনহিতাৰ্থে প্ৰচাৰিত

ৰাজ্যিক সমন্বয়ক, এন আৰ চি,
অসম চৰকাৰ

নাগৰিক পঞ্জীয়নৰ মহাপঞ্জীয়ক,
গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ

বিশদভাবে জানিবলৈ আৰু সহায়ৰ বাবে

আমাৰ ২৪ x ৭ বিনামূলীয়া হেল্পলাইন নম্বৰত ফোন কৰক
১৫১০৭ (অসমৰ বাবে)
১৮০০৩৪৫৩৭৬২ (অসমৰ বাহিৰৰ পৰা)

আমাৰ ৱেবচাইট
www.nrcassam.nic.in

nrcassam @NRCupdateAssam ত আমাক অনুসৰণ কৰক